ISSN 2349-5324

# গৰীয়সী

অষ্টাবিংশ বছৰ ● অষ্টম সংখ্যা ● জুন, ২০২১

শ্ৰদ্ধাৰ্ঘ্য

শঙ্খ ঘোষ



ঔপনিৱেশিক গতি-প্ৰকৃতি

সৌৰভ কুমাৰ চলিহাৰ কল্পবিজ্ঞান গল্প

অপূৰ্ব কুমাৰ শইকীয়াৰ সৈতে সাক্ষাৎকাৰ

# কেশৱ মহন্তৰ 'আমাৰ পৃথিৱী' : এটি পৰ্যালোচনা

## ডঃ হেমন্ত ডেকা

আধুনিক অসমীয়া কবিতাৰ বাটকটীয়াসকলৰ ভিতৰত কবি কেশৱ মহন্তৰ নাম উল্লেখযোগ্য। 'জয়ন্তী' (১৯৪৩)ৰ পাতত আৰম্ভ হোৱা এই কাব্য আন্দোলনৰ গুৰি ধৰোঁতাসকল আছিল— কমল নাৰায়ণ দেৱ, চক্ৰেশ্বৰ ভট্টাচাৰ্য, অমূল্য বৰুৱা, ভবানন্দ দত্ত, অজিৎ বৰুৱা আদি। কেশৱ মহন্তও আছিল তেওঁলোকৰেই সহযাত্ৰী। কবি-সমালোচক ভবানন্দ দত্তৰ বিশেষ সান্নিধ্যই তেখেতক সাহিত্যচৰ্চা, বিশেষকৈ কাব্যচৰ্চাৰ প্ৰতি অনুৰক্ত কৰি তুলিছিল। তেখেতে নিজৰ আত্মজীৱনী 'সিপাৰে কল্পনা তুমি মোৰ'ত এই কথা বিশেষভাৱে উল্লেখ কৰিছে।

'জয়ন্তী' যুগৰ কবিৰূপে সমসাময়িক প্ৰগতিশীল কবিতাৰ বিষয়বস্তু আৰু দৰ্শনে এইগৰাকী কবিকো প্ৰভাৱান্বিত কৰিছে। তেখেতৰ কবিতাৰ বিষয়বস্তুত আধুনিক সমাজৰ তথাকথিত অগ্ৰগতিৰ বিপৰীতে শোষণ, বৈষম্য, সংঘৰ্ষ, নিপীড়ন আৰু ইয়াৰ বিপৰীতে এটি প্ৰতিবাদমুখৰ ৰূপ দেখা যায়। তেখেতৰ কবিতাসমূহত বিশেষকৈ দাৰিদ্ৰ্যগ্ৰস্ত জীৱনৰ প্ৰতি কবিৰ আন্তৰিক সহমৰ্মিতা প্ৰকাশ পাইছে। লগতে অসমৰ গাঁওৰ জীৱনৰ নিভাঁজ আৰু অকৃত্ৰিম বাতাৱৰণে তেখেতৰ কবিতাক সমৃদ্ধ কৰি তুলিছে। তেওঁৰ কবিতাৰ কি বিষয়বস্তু, কি আংগিক সকলোতে নিপীড়িত অথচ সংগ্ৰামশীল মানৱাত্মাই জীৱনৰ সপক্ষে মাত মাতিছে, তেওঁৰ কবিতাত দীৰ্ঘশ্বাস নাই, তাত প্ৰাণ সঞ্চাৰ কৰিছে পৃথিৱীৰ হৃদস্পন্দন শুনাৰ অধীৰ আৱেগে।[১]

কেশৱ মহন্তৰ কবিতাৰাজিলৈ লক্ষ্য কৰিলে দেখা যায় যে তেখেতৰ কাব্যসমগ্ৰৰ মাজত বিশ্ব মানৱাত্মাৰ সৈতে আত্মীয়তাবোধেই হৈছে কবিতাসমূহৰ ঘাই উপজীব্য। ইয়াৰ অন্যতম উদাহৰণ হৈছে তেখেতৰ বহুচৰ্চিত কবিতা— সোণাজিৰা মাহীৰ নাড়ী। বিষয়বস্তুৰ সৰল উপস্থাপন, শোষিত-নিপীড়িতজনৰ সৈতে থকা সহমৰ্মিতা আৰু এনে অন্যায়-অবিচাৰৰ অৱসান কামনা আৰু লোকজীৱন তথা সংস্কৃতিৰ সৈতে থকা নিবিড় পৰিচয়ৰ দিশটোও গুৰুত্বপূৰ্ণ। এনে উপাদানসমূহৰ সাৰ্থক উপস্থাপনে তেখেতৰ কবিতাৰাজিক সৰ্বদাই জনমুখী কৰি তুলিবলৈ সক্ষম হৈছে।

অসমীয়া সাহিত্য আৰু সংস্কৃতিৰ ক্ষেত্ৰখনত তেখেতে কবি পৰিচয়ৰ লগতে গীতিকাৰৰূপেও বিশেষ খ্যাতি লাভ কৰিছে। তেখেতৰ অধিকাংশ গীতেই উচ্চমানৰ কাব্যিক ব্যঞ্জনাসমৃদ্ধ ৰচনা আৰু সৰ্বজন সমাদৃত সৃষ্টি। বহু সময়ত তেখেতৰ কবিতা আৰু গীতৰ বিষয়বস্তুৰ মাজত থকা সীমাৰেখা নিৰ্ণয় কৰাটোৱেই কঠিন হৈ পৰে। সেই ফালৰ পৰা ক'ব পাৰি যে তেখেতৰ গীতসমূহো সাৰ্থক কাব্য-ভাৱনাৰেই ৰূপান্তৰ মাথোন। কবি হিচাপে পৰিচিতি লাভ কৰা সত্ত্বেও কেশৱ মহন্তদেৱে তেখেতৰ গীতৰ সংকলন 'মোৰ যে কিমান হেঁপাহ' (১৯৯২)ৰ বাবে সাহিত্য অকাদেমিৰ সন্মানেৰে সন্মানিত হৈছে। তেখেতৰ মুঠ কাব্য সংকলনৰ সংখ্যা চাৰিখন— আমাৰ পৃথিৱী (১৯৪৬), আগন্তুক (১৯৬৩), তোমাৰ তেজ (১৯৮৫) আৰু মোৰ শুকান কলিজাত কুঁহিপাত (২০০০) আদি। ইয়াৰ উপৰি যথেষ্টসংখ্যক কবিতা বিভিন্ন কাকত-আলোচনীৰ পাতত সিঁচৰতি হৈ আছে। অদ্যাপিও তেখেতৰ কবিতাৰাজিৰ একত্ৰ সংকলন এটি প্ৰকাশৰ আৱশ্যকতা আছে। এই ক্ষেত্ৰত তেখেতৰ পৰিয়ালবৰ্গ বা কেশৱ মহন্ত স্মৃতি ন্যাসে বিশেষ উদ্যোগ ল'ব পাৰে।

কেশৱ মহন্তৰ প্ৰথমখন কাব্য সংকলন 'আমাৰ পৃথিৱী' প্ৰকাশ পাইছিল ১৯৪৬ চনত। ডাঃ হৰেন্দ্ৰ চন্দ্ৰ হাজৰা (পিপলচ বুক ষ্টল, গড় আলি, যোৰহাট)ৰ দ্বাৰা প্ৰকাশিত এই ক্ষুদ্ৰাকৃতিৰ সংকলনখনিত সন্নিৱিষ্ট হৈছে সৰ্বমুঠ ওঠৰটা কবিতা। এগৰাকী কবিৰ কাব্য ভাবনাৰ উকমুকনিৰে জীপাল এই কবিতাকেইটি তেখেতৰ কাব্যচৰ্চাৰ প্ৰাথমিক পৰ্যায়ৰ নিদৰ্শনৰূপে উল্লেখযোগ্য তথা আলোচনাৰ সমল হ'ব পাৰে। ইয়াত সন্নিৱিষ্ট কবিতাকেইটি হৈছে— তেওঁ আৰু মই, অতৃপ্ত যৌৱন, পৰিচয়, ফাগুৱা, ১৯৪৫, বিৰহীৰ উক্তি, আন্ধাৰ আৰু পোহৰ, চিৰ গতিশীল, কুষ্ঠ ৰোগী, গণিকা, পুৰুষ আৰু নাৰী, মুছি, লাওপানী, শিৱৰাত্ৰি, ফুকনৰ স্মৃতিৰ দিনত, প্ৰেম তাৰ নতুন পুৱাৰ, তোমালোক মোৰ বাবে জীৱন্ত কবিতা, আমাৰ পৃথিৱী আৰু ৰোমান্টিক।

সংকলনখনিৰ কবিতাসমূহৰ বিষয়ে আলোচনা কৰাৰ পূৰ্বে লেখকৰ স্বীকাৰোক্তি (নিজা কথা)ৰ প্ৰসংগও উল্লেখ কৰাটো ভাল হ'ব। তেখেতে নাতিদীৰ্ঘ পাতনিত কৈছে, "দুবছৰমানৰ পৰা প্ৰগতিশীল কবিতা লিখাৰ মাদকতা পাইছোঁ। লিখিছোঁহে— প্ৰকাশিকাত হয়তো দীনতা আছে। কৃতকাৰ্যতা পঢ়ুৱৈ সমাজৰ বিবেচনাৰ ওপৰত।

আত্মপ্ৰকাশৰ বাসনাই হয়তো কবিতা প্ৰকাশৰ মূল। আনহাতে অপৰিপক্বতা থকা সত্ত্বেও বহুতৰ প্ৰেৰণাতো ইয়াৰ জন্ম হ'ব পাৰে। যি নহওক, কিতাপখন ৰাইজৰ হাতত দিবলৈ ওলাইছোঁ।"[২]

প্ৰসংগতঃ উল্লেখযোগ্য যে তেখেতে নিজৰ এই কবিতাখিনি ক্ষীণ দৃষ্টিৰে হ'লেও সমালোচনাৰ পৰিসৰৰ পৰা আঁতৰত ৰাখিব বিচৰা নাই। বৰঞ্চ বহুজনৰ পৰা পোৱা প্ৰেৰণাৰে উদ্বুদ্ধ হৈয়েই কবিতাসমূহ লিখিছিল বুলি উনুকিয়াইছে। অৱশ্যে এই ক্ষেত্ৰত কাৰো নাম ইয়াত স্পষ্টভাৱে উল্লেখ কৰা নাই যদিও জয়ন্তীযুগীয় অন্যান্য সমসাময়িক তথা অগ্ৰণী কাব্য সাধনাই হয়তো তেখেতকো কাব্যচৰ্চাৰ বাবে অনুপ্ৰাণিত কৰিছিল। প্ৰসংগতঃ বন্ধু উপেন শৰ্মাৰ উৎসাহ-উদ্দীপনাৰ বাবেও শলাগ লৈছে। তেখেতে উল্লেখ কৰা 'বহুত'ৰ ভিতৰত কোন কোন আছিল সেয়া স্পষ্টকৈ জনা নাযায়। এই সংকলনৰ পৰৱৰ্তী কালৰ কবিতাসমূহতো প্ৰকাশ পোৱা কবিৰ অন্তৰ্দৃষ্টি, কাব্য ভাবনা

আৰু দৰ্শনলৈ মন কৰিলে দেখা যায় যে তেখেত ঘাইকৈ জয়ন্তীযুগীয় আগশাৰীৰ তথা সমসাময়িক কবিসকলৰ দ্বাৰাইহে প্ৰভাৱান্বিত হৈছিল। লগতে সাম্যবাদী ভাবধাৰা আৰু ভাৰতীয় গণ নাট্য সংঘৰ তাৎক্ষণিক প্ৰভাৱেও তেখেতক কাব্য সাধনাৰ এই দৰ্শনত অবিচলিত কৰি ৰাখিবলৈ সক্ষম হৈছিল।

'আমাৰ পৃথিৱী'ত সন্নিৱিষ্ট প্ৰথমটি কবিতা 'তেওঁ আৰু মই'ত কবিয়ে সমাজত প্ৰত্যক্ষ কৰা ধনী-দুখীয়াৰ প্ৰভেদ দুগৰাকী নাৰীৰ তুলনাৰে প্ৰকাশ কৰিছে। বিলাসিতা আৰু প্ৰাচুৰ্যৰে জীৱন অতিবাহিত কৰাগৰাকীৰ তুলনা 'এটি কলি দুটি পাত'ত হাতৰ পৰশ বোলাই জীৱন নিৰ্বাহ কৰা এগৰাকী মহিলাৰ ক্ষোভ প্ৰকাশ পাইছে এনেদৰে ঃ

চাহৰ টুকুৰী পিঠিত পেলাই লৈ
বৰ্ষাৰ বৰষুণত
বিনা ছাতি বিনা জাপিৰে
এফালে কেঁচুৱাৰ হোৰা লৈ
চাৰি অনাৰ সলনি বাৰ ঘণ্টা পাত তোলা
চেপেটা মাটিৰ দৰে ভৰিৰে ঘূৰি ফুৰোঁতে
চাহ গছৰ ঠেঙুলিয়ে ফালি
তৰল তেজ ওলোৱা
মইও এজন স্বামীৰে প্ৰিয়া
আধুনিকা নহ'লেও
আধুনিক জগতৰে। **(তেওঁ আৰু মই)**

শ্ৰম আৰু ক্ষুধাৰ যন্ত্ৰণাত পিষ্ট এগৰাকী চাহ শ্ৰমিকৰূপী মহিলাৰ ক্ষোভ আৰু শ্লেষপূৰ্ণ ভাব কবিতাটিত মূৰ্ত হৈ উঠিছে। যন্ত্ৰণাদায়ক জীৱন আৰু 'তৰল তেজে'ৰে জীয়াই থকা এইচাম মানুহো তথাকথিত আধুনিক জগতৰে বাসিন্দা। ভুৱা আভিজাত্য আৰু শোষণক হাথিয়াৰৰূপে লৈ ভোগ-বিলাসত মত্ত চামৰ প্ৰতি কবিৰ তীক্ষ্ণ বিদ্ৰূপ কবিতাটিত পৰিস্ফুট হৈ উঠিছে। সেইদৰে লাঞ্ছিত-বঞ্চিতজনৰ মনত সুপ্ত হৈ থকা ক্ষোভৰ জুইকুৰাৰ কবিয়ে উমান পাইছে 'অতৃপ্ত যৌৱন' শীৰ্ষক কবিতাত। ৰঙীণ স্বপ্নৰ আৱেশত বিভোৰ হৈ থকা যৌৱনপ্ৰাপ্তজন জীৱনৰ প্ৰাপ্তিৰ সলনি বলি হয় নিৰ্মম নিৰ্যাতনৰ। এনেবোৰ যন্ত্ৰণাবোধৰ মাজতো প্ৰিয়াৰ সান্নিধ্য লাভৰ কামনাই সেই ডেকাক অস্থিৰ কৰি তোলে, বিশৃংখলতাৰ মুখলৈ ঠেলি দিয়ে।

কেশৱ মহন্তৰ 'পৰিচয়' শীৰ্ষক কবিতাটো এটা বিশেষ কাৰণত গুৰুত্বপূৰ্ণ। ইয়াত বক্তাই নাম উল্লেখ নকৰাকৈ এগৰাকী কবিৰ ভাবনাৰ বিৰুদ্ধে প্ৰতিবাদ কৰিছে। কবিতাটি পঢ়িলে উপলব্ধি কৰিব পাৰি যে তেখেতৰ এই তীৰ্যক প্ৰতিবাদ কেৱল এগৰাকী নিৰ্বিশেষ কবিৰ প্ৰতি নহয়, বৰঞ্চ ৰোমাণ্টিকতাৰ প্ৰতি ধাৱিত সমগ্ৰ কবি সমাজৰ বিৰুদ্ধেহে। আধুনিক বিশেষকৈ জয়ন্তীযুগীয় কবিসকলে ৰোমাণ্টিকতাৰ প্ৰতি সূচনা কৰা বিদ্ৰোহৰ অনুৰূপ আভাস এই কবিতাটিত সম্পূৰ্ণৰূপে স্পষ্ট। ৰোমাণ্টিক চেতনাৰ আঁৰ লৈ বাস্তৱ জগতৰ পৰা পলায়ন কৰা এই কবিকুলৰ প্ৰতি তেওঁলোকৰ সততে আছিল অৱজ্ঞাসূচক দৃষ্টিভংগী। সেই ভাবনাৰ প্ৰত্যক্ষ অনুৰণন এই কবিতাটিত সম্পূৰ্ণ স্পষ্ট।

'ফাগুৱা, ১৯৪৫' এটি ভিন্নসুৰী কবিতা। সমসাময়িক সমাজ আৰু ব্যৱস্থাৰ প্ৰতি ক্ষুব্ধ কবিয়ে ইয়াত ফাগুৱা অৰ্থাৎ ৰঙৰ এই উৎসৱক এক প্ৰতীকী ৰূপত চিত্ৰিত কৰিছে। অৱশ্যে কবিয়ে বিষয়বস্তুৰ অৱতাৰণা কৰিবলৈ গৈ এই উৎসৱক শ্ৰীকৃষ্ণৰ দ্বাৰা সৃষ্ট আৰু এক কামজ বিলাস ৰূপেহে প্ৰত্যক্ষ কৰিছে। ফাগুৱাৰ ৰঙীণ আবিৰৰ ৰঙৰ পৰিৱৰ্তে সমাজৰ ৰুক্ষ বাস্তৱৰ প্ৰতিচ্ছবি কবিতাটোত জিলিকি উঠিছে। আলকাতৰাৰ দৰে ক'লা ৰঙত জোঁট-পোত খাই পৰা বৰ্তমানৰ ফাগুৱা যেন বিলাসৰহে প্ৰত্যক্ষ ৰূপ। এই নিৰ্মম ৰূপ দেখি কবিয়ে কৈছে ঃ

বিন্নাহৰ সুগন্ধি সুৰভি
ফাগুৱাই আজি বৈ নানে
—ফাগুৱাই আনে—
এটি জটিল যুগৰ
মানুহৰ পোৰা হিয়াৰ— ক'লা ছাই;
গোবৰৰ দুৰ্গন্ধ প্ৰলেপ
'জোৰ পুখুৰী'ৰ ক'লা বোকা। **(ফাগুৱা, ১৯৪৫)**

সমসাময়িক সময় আৰু সমাজৰ ৰুক্ষ বাস্তৱ আৰু নিৰ্মম ৰূপটো তুলি ধৰিবলৈ গৈ কবিয়ে ফাগুৱাৰ মাজত বৈপৰীত্যও প্ৰত্যক্ষ কৰিছে।

'আন্ধাৰ আৰু পোহৰ' শীৰ্ষক কবিতাটিত শ্ৰেণী-বৈষম্যৰ ছবি প্ৰকট হৈছে। ধনী-দুখীয়াৰ প্ৰভেদে সৃষ্টি কৰা বৈষম্যৰ কথা কবিতাটিত ব্যক্ত কৰা হৈছে। গদ্যাশ্ৰয়ী ভাষাৰে তুলি ধৰা বিষয়বস্তুৰ সাৰকথা কবিৰ পোনপটীয়া ভাষাত বিবৃত হৈছে ঃ

থিতাতে আঁতৰি সেই শকত মানুহজন
গুচি গ'ল দূৰ হৈ।
মই পালোঁ দুটা মাথোঁ কথা
আন্ধাৰ-পোহৰ,
আৰু এটা মাথোঁ বুজ
পোহৰৰ অদম্য বুভুক্ষা। *(আন্ধাৰ আৰু পোহৰ)*

সেইদৰে 'চিৰ গতিশীল' কবিতাত নৱ প্ৰজন্মৰ আশা, উদ্যম আৰু গতিশীলতাৰ কথা তুলি ধৰিছে। সমাজ জীৱনত ব্যাপ্ত পূতিগন্ধময় ৰূপটো সেইদৰে পৰিস্ফুট হৈছে 'কুষ্ঠৰোগী' শীৰ্ষক কবিতাটিত। পূৰ্বজন্মৰ অভিশাপৰ ফলত কুষ্ঠৰোগত ভোগাৰ কথা কোৱা সমাজখনো সেই ৰোগীৰ দাৰিদ্ৰ্যৰ বাবেও সমানেই দায়ী। কবিতাটোত কুষ্ঠৰোগীৰ জীৱনৰ বিভীষিকাময় পৰিণতি আৰু সমাজৰো পক্ষাঘাতগ্ৰস্ত অৱস্থা একাকাৰ হৈ পৰা দেখা গৈছে ঃ

সি মৰিব। পচি জহি ক্ৰমে শেষ হ'ব।
কাৰণ সি কুষ্ঠৰোগী
—ধ্বংস তাৰ আসন্ন
আৰু কুষ্ঠৰোগী সন্তানৰ জন্মদাত্ৰী মাতৃ
এই সমাজখনৰ গোটেই শৰীৰত
তেজৰ প্ৰত্যেক অণু-পৰমাণুতেই
এই ৰোগৰ প্ৰসাৰ। *(কুষ্ঠৰোগী)*

সমাজ এখনৰ সাৰ্থক চিত্ৰ বিচাৰি পোৱা যায় নাৰীৰ সামাজিক অৱস্থানতহে। কবি মহন্ত এই দিশৰ প্ৰতিও সদা সচেতন। অমূল্য বৰুৱাৰ 'বেশ্যা'ৰ দৰেই কেশৱ মহন্তৰ 'গণিকা'তো অৱহেলিতা নাৰীৰ ক্ষয়িষ্ণু চিত্ৰ জিলিকি উঠিছে। কবিয়ে কৈছে ঃ

কালৰ সলনিত
যেতিয়া ক্ৰমে ই সমাজ ধৰ্ম হয়
লগতে যেতিয়া আৰ্থিক স্বাচ্ছন্দ্য আহে
(ই অতি স্বাভাৱিকো;)
তেতিয়া নাৰীয়ে দ্বিধাহীনভাৱে
সমাজ-নাশী এই বৃত্তিকে সহজে গ্ৰহণ কৰে।
কোনো পুৰুষে কোচায় নাক।। *(গণিকা)*

সমাজ জীৱনৰ পয়ালগা ৰূপটোৰেই এক অন্ধকাৰময় প্ৰতিচ্ছবি এই কবিতাটোত মূৰ্ত হৈ উঠিছে।

তেখেতৰ আন এটা কবিতা 'পুৰুষ আৰু নাৰী'ত মনুবাদে

সৃষ্টি কৰা বিধান আৰু নাৰী-পুৰুষৰ মাজত সৃষ্ট সামাজিক বৈষম্যৰ কথা স্পষ্টভাৱে প্ৰকাশ পাইছে। নিজৰ পত্নীৰ বাবেই যেন মনুৱে সৃষ্টি কৰা এই বিধান কালক্ৰমত সকলো নাৰীৰ বাবে প্ৰযোজ্য কৰা হৈছে। দ্ব্যৰ্থহীন ভাষাৰে কবিয়ে কৈছে ঃ

কাৰণ সমজাতি প্ৰতিপত্তি ৰক্ষী মনুৱে
পত্নীক দিলে ধুনীয়া শব্দ গাঁথনিৰে
মোহিনী বিশেষণ পতিব্ৰতা সাধ্বী
শব্দৰ এই মোহে, আৰু
সৰু হৈ সেৱা কৰাৰ মমতাই
আবেগময়ী পত্নীৰ মনত চাব দিলে
পতিসেৱাৰ একনিষ্ঠতাৰ *(পুৰুষ আৰু নাৰী)*

এনে বৈষম্যৰ প্ৰতি থকা সমাজৰ আওকণীয়া মনোভাবকো কবিয়ে তীব্ৰ সমালোচনা কৰিছে। যুক্তিগত দৃষ্টিৰে যেতিয়ালৈকে মানুহে কথাবোৰ বিশ্লেষণ কৰিব নোৱাৰে, তেতিয়ালৈ সমাজৰ পৰা এই বৈষম্য আঁতৰ নহ'ব বুলি কবিৰ ধাৰণা নিশ্চিত।

'মুছি' কবিতাটোত জোতা পলিচ কৰি জীৱন নিৰ্বাহ কৰা নিম্ন শ্ৰেণীৰ মানুহৰ জীৱন সংগ্ৰামৰ ছবি জিলিকি উঠিছে। শ্ৰমেৰে জীৱন যাপন কৰা মানুহৰ ক্ষুধাৰ্ত আৰ্তনাদ আৰু যন্ত্ৰণাবোধৰ চিত্ৰ ইয়াত প্ৰকাশিত হৈছে। এয়া কবিৰ নিষ্পেষিত মানুহৰ প্ৰতি থকা নিভাঁজ সহমৰ্মিতা আৰু ধনতান্ত্ৰিক সমাজ ব্যৱস্থাৰ প্ৰতি এক সৰৱ প্ৰতিবাদ।

'লাওপানী' শীৰ্ষক কবিতাটিত চাহ বাগিচাৰ শোষিত বনুৱাৰ মৰ্মবেদনা আৰু যন্ত্ৰণাৰ পৰা অৱসান বিচাৰি লাওপানীৰ আশ্ৰয় লোৱা ছবিখন তুলি ধৰিছে। নিচাগ্ৰস্ততাৰ মাজতেই এই মানুহখিনিয়ে সমসাময়িক সকাহ বিচাৰে। কবিৰ ভাষাত ঃ

স্বাভাৱিক মুক্তি প্ৰয়াসী মানুহৰ মনবোৰে
মুক্তি বিচৰাৰ দৰে
চিৰক্লিষ্ট বেদনা জৰ্জৰিত
সিহঁতৰ আত্মদেৱতাটোৱে
বিদ্ৰোহ ঘোষণা কৰে মুক্তি বিচাৰি
তেতিয়াই সিহঁতে মদ খায়। *(লাওপানী)*

অথচ কবিয়ে উপলব্ধি কৰিছে এই নিচাগ্ৰস্ততাই তিল্ তিলকৈ তেওঁলোকক ধ্বংসৰ গৰাহলৈ ঠেলি দিছে। এই শোষণ আৰু যন্ত্ৰণাৰ অৱসান কামনা শেষ পৰ্যন্ত কবিতাটোত ভাস্বৰ হৈ উঠিছে।

সংকলনখনত অন্তৰ্ভুক্ত 'শিৱৰাত্ৰি' এটা দীঘলীয়া কবিতা। বৈষম্য আৰু বাহ্যিকতাৰে পৰিপূৰ্ণ সমাজত আনৰ অনুগ্ৰহত জীয়াই থকা একাংশ লোকৰ প্ৰতি কবিৰ সহমৰ্মিতা এই কবিতাটোতো স্পষ্ট। ধৰ্মৰ নামত প্ৰাণপাত কৰা সমাজৰ বৈষম্যভৰা ছবিয়ে কবিৰ দৃষ্টিত অন্তঃসাৰশূন্য ৰূপত ধৰা দিছে। দাৰিদ্ৰ্যক আঁকোৱালি লোৱা দেৱাদিদেৱ মহাদেৱৰ পূজাৰ দিনাই বুভুক্ষজনক আওকাণ কৰা সমাজৰ প্ৰতি কবিৰ ক্ষোভ ইয়াত সৰৱ হৈ উঠিছে।

তেখেতৰ 'ফুকনৰ স্মৃতিৰ দিনত' শীৰ্ষক কবিতাটিত দেশভক্ত তৰুণৰাম ফুকনৰ স্মৃতিচাৰণ আৰু আদৰ্শৰ কথা প্ৰকাশ পাইছে। এই কবিতাটো ফুকনৰ প্ৰশস্তিমূলক ভাৱনাৰ প্ৰকাশহে মাথোন।

'প্ৰেম তাৰ নতুন পুৰাৰ' কবিতাটোত কবিৰ আত্মিক ভাবাদৰ্শৰ প্ৰকাশ ঘটিছে। সমসাময়িক সমাজ আৰু সময়ৰ পৰিপ্ৰেক্ষিতত বিচাৰ কৰিলে দেখা যায় যে নতুন সমাজ সৃষ্টিৰ প্ৰতি জয়ন্তী যুগৰ কবিসকলৰ মাজত যি স্বপ্নময় চেতনাৰ প্ৰকাশ ঘটিছে, তাৰ সাৰ্থক প্ৰকাশ ঘটিছে এই কবিতাটোত। যৌৱনৰ উদ্যম আৰু স্বপ্নৰে এখন সুন্দৰ সমাজ সৃষ্টিৰ বাসনা এই কবিতাটোত মূৰ্ত হৈ উঠিছে। কবিয়ে কৈছে ঃ

পোহৰৰ একাগ্ৰ অভিযাত্ৰী যি
যাত্ৰা তাৰ অবাধ্য
তাৰ অগ্ৰাহ্য কৰাৰ শক্তি লোপ পায়
যেতিয়া সমুখত দেখে সি
একাগ্ৰ আহ্বান
লোভনীয় মুক্তিৰ ৰূপৰ
সি প্ৰেমিক
কোনে তাক বাধা দিয়ে ?
প্ৰেম তাৰ নতুন পুৰাৰ *(প্ৰেম তাৰ নতুন পুৰাৰ)*

কবিতাটিত জয়ন্তীযুগীয় কবিসকলৰ স্বপ্নময় দৃষ্টি আৰু সৃষ্টিৰ প্ৰকাশ বাংময় ৰূপত ধৰা দিছে।

'তোমালোক মোৰ বাবে জীৱন্ত কবিতা' শীৰ্ষক কবিতাটিত কবিৰ কৃষক, বনুৱা, শ্ৰমজীৱীজনৰ সৈতে থকা আত্মীয়তাবোধৰ প্ৰকাশ ঘটিছে। জীৱন সংগ্ৰামত লিপ্ত প্ৰতিজনকেই তেওঁ একোটি জীৱন্ত কবিতা ৰূপে অভিহিত কৰিছে।

সংকলনখনিৰ শীৰ্ষকেৰে চিহ্নিত কৰা 'আমাৰ পৃথিৱী'ত কবিৰ কাংক্ষিত পৃথিৱীৰ সৈতে বাস্তৱৰ পৃথিৱীৰ বৈসাদৃশ্যই ওৰা পাতিছে। তত্ৰাচ কবিয়ে এই পৃথিৱীক আওকাণ কৰিব নোৱাৰে। বৰঞ্চ এইখন পৃথিৱীকেই 'আমাৰ পৃথিৱী'ৰূপে কবিয়ে আঁকোৱালি লৈছে ঃ

পৃথিৱীৰ হুমুনিয়া বাজে আজি দীপ্ত টানত
আমাৰ প্ৰাণত।
আমাৰ আগত আজি কঠোৰ যুগৰ এই
বাস্তৱৰ দাবী
কিদৰে এৰাওঁ তাক ?
ই যে বন্ধু আমাৰ পৃথিৱী। *(আমাৰ পৃথিৱী)*

সংকলনখনিৰ অন্তিমটো কবিতা হৈছে— 'ৰোমাণ্টিক'। কবিতাটিত কবিয়ে স্বপ্নভংগৰ বেদনা আৰু ক্ষোভৰ পৰিৱৰ্তে নতুন পৃথিৱী গঢ়া সপোন আৰু আশাৰ কথা কৈছে। বাস্তৱৰ পৰা পলায়নৰ বিপৰীতে স্বপ্ন পূৰণৰ ৰোমাণ্টিকতাৰে আচ্ছন্ন হৈ উঠিছে সমগ্ৰ কবিতাটি।

মাত্ৰ ৪৩ পিঠীয়া এই ক্ষুদ্ৰ কাব্য সংকলনটিয়ে জয়ন্তী যুগৰ কাব্য সাধনাৰ ধাৰা আৰু কবিতাৰ বিষয়বস্তুৰো এক সম্যক আভাস দাঙি ধৰিবলৈ সক্ষম হৈছে। প্ৰসংগতঃ উল্লেখযোগ্য যে কবি কেশৱ মহন্তৰ কাব্যভাষাই ইয়াত পৰিপূৰ্ণতা লাভ কৰিবলৈ সক্ষম হোৱা নাই যদিও সমসাময়িক কাব্যধাৰাৰ অনুগামী কবিৰূপে তেখেতৰ এই সংকলনখনি এক অন্যতম নিদৰ্শন হৈ ৰ'ব। অৱশ্যে তেখেতৰ পৰৱৰ্তী কালৰ সংকলনসমূহত সেই দুৰ্বলতা নোহোৱা হৈছে। নিৰলস কাব্য সাধনাই কুৰি শতিকাৰ এগৰাকী আগশাৰীৰ কবি হিচাপে প্ৰতিষ্ঠা কৰিছে। সি যি কি নহওক, আধুনিক অসমীয়া কবিতাৰ প্ৰগতিশীল কাব্যধাৰাৰ এগৰাকী সাৰ্থক কবিৰূপেও তেখেতৰ এক সুকীয়া পৰিচয় আছে। যদিও কবিতাতকৈ গীতৰ ক্ষেত্ৰতহে তেখেতৰ প্ৰতিভাৰ পৰিপূৰ্ণতা অধিক। কাব্যিক ক্ষেত্ৰত তেখেতৰ আত্মপ্ৰকাশৰ প্ৰথম চানেকিৰূপে ১৯৪৬ চনত প্ৰকাশিত 'আমাৰ পৃথিৱী'ও গৱেষক ছাত্ৰৰ আগ্ৰহৰ বিষয় হ'ব পাৰে নিশ্চয়। ■

প্ৰসংগ সূত্ৰ ঃ

১। ফুকন, কবীন ঃ অসমীয়া কবিতা প্ৰবাহ, ১ম খণ্ড, পৃষ্ঠা-১০১
২। মহন্ত, কেশৱ ঃ আমাৰ পৃথিৱী (নিজা কথা), পৃষ্ঠা ঃ গ